গৌহাটী উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

গোচৰ নং.:ডব্লিউপি(চি)/১৭৫৪/২০১৫

বনাম

অসম চৰকাৰ আৰু অন্যান্য ৩ গৰাকীৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে।

মুখ্য সচিব, দিশপুৰ, অসমৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে।

২: মুখ্য সচিব গৃহ আৰু ৰাজনৈতিক বিভাগ।

অসম চৰকাৰ, দিশপুৰ, অসম

৩: ভাৰত চৰকাৰৰ হৈ প্ৰতিনিধিত্ব কৰিছে

ক)গৃহ মন্ত্ৰালয়

খ)বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়

৪: মহাগাণনিক, অসম

আবেদনকাৰীৰ হৈ অধিবক্তা শ্ৰীযুত এছ এছ দে

প্ৰতিবাদীৰ হৈ অধিবক্তা(বিধি উপদেষ্টা)শ্ৰী যুত এছ চি কেয়াল (এ.এছ.জি.আই)

**বিচাৰপীঠত উপস্থিত আছে**

**মাননীয় ন্যায়াধীশ শ্ৰীযুত সুমন শ্যাম**

**আদেশ**

৩১-০৮-২০২১

শ্ৰীযুত এইচ. কে. দাস আৰু এই গোচৰত উপস্থিত থকা বিধি উপদেষ্টা শ্ৰীযুত এ. দাসৰ ভাষ্য শুনা হ'ল।

লগতে এফ. টি.-ৰ বিজ্ঞ স্থায়ী পৰামৰ্শদাতা শ্ৰী এছ. চি. কেয়ালে সহযোগিতা কৰা অসমৰ ৱিজ্ঞ মহাধিবক্তা শ্ৰী ডি. শইকীয়া আৰু ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰা ভাৰতৰ বিজ্ঞ সহকাৰী মহান্যায়বাদী শ্ৰী আৰ. কে. দেব চৌধুৰীৰ ভাষ্যও শুনা হ'ল।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিজ্ঞ পঞ্জীয়ক (ন্যায়িক) শ্ৰী আৰ. এ. তাপাদাৰো ব্যক্তিগতভাৱে উপস্থিত আছে।

যোৱা ২৯-০৭-২০২১ তাৰিখৰ আদেশত বিজ্ঞ বিধি উপদেষ্টাসকলে তিনিটা বিষয় উত্থাপন কৰিছিল।

(১) এফ. টি.-ৰ সদস্যসকলৰ দৰমহা পৰিশোধ নকৰা, (২) নিয়মীয়া কৰ্তব্যৰ বাবে তেওঁলোকক ন্যায়াধিকৰণৰ মুৰব্বী হিচাপে মনোনীত কৰাত ব্যৰ্থতা, আৰু (৩) এফ. টি. এছ.-ত পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ।১৯-০৮-২০২১ তাৰিখত, এই বিষয়টো বিজ্ঞ বিধি উপদেষ্টাৰ এক বিশেষ অনুৰোধৰ ভিত্তিত এই সন্দৰ্ভত প্ৰকাশ কৰা হৈছিল যে বিদেশী ন্যায়াধিকৰণৰ সকলো সদস্যৰ কাৰ্যকাল ২৩-০৫-২০২১ তাৰিখত সমাপ্ত হৈছে কিন্তু এতিয়ালৈকে তেওঁলোকৰ কাৰ্যকালৰ সম্প্ৰসাৰণৰ বাবে কোনো আদেশ জাৰি কৰা হোৱা নাই, যাৰ ফলস্বৰূপে, তেওঁলোকৰ কাৰ্যকালৰ ধাৰাবাহিকতা অগ্ৰহণীয় হৈ পৰিছে আৰু তাৰফলত এই ন্যায়াধিকৰণসমূহে প্ৰদান কৰা মতামতৰ বৈধতাৰ ওপৰতো প্ৰশ্ন উত্থাপন হৈছে।

আজি বিষয়টো উত্থাপন কৰাৰ সময়ত শ্ৰী শইকীয়াই ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অৱৰ সচিবৰ পৰা অসম চৰকাৰৰ মুখ্য সচিব, দিশপুৰলৈ প্ৰেৰণ কৰা ২৭-০৮-২০২১ তাৰিখৰ যোগাযোগৰ এটা প্ৰতিলিপি দেখুৱায়, যাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনেৰে বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলৰ কাৰ্যকাল ২৩-০৫-২০২১ ৰ পৰা দুবছৰৰ বাবে বৃদ্ধি কৰা হৈছে বুলি জনোৱা হৈছে। শ্ৰী শইকীয়াই জনায় যে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ কৰাৰ পিছত, গৃহ পৰিক্ৰমা বিভাগত অসম চৰকাৰে এতিয়া ২৭-০৮-২০২১ তাৰিখৰ যোগাযোগত উল্লেখ কৰা অনুসৰি বিদেশী ন্যায়াধিকৰণৰ এনে সকলো সদস্যৰ কাৰ্যকাল সম্প্ৰসাৰিত কৰাৰ বাবে প্ৰয়োজনীয় পৰৱৰ্তী কাৰ্যপন্থা হাতত লোৱা হ'ব।

ওপৰোক্ত বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি, ওপৰত উল্লেখ কৰা সমস্যাটো আৰু আদালতৰ বিবেচনাধীন হৈ নাথাকিব।

এতিয়ালৈকে সদস্যসকলৰ দৰমহা আৰু ভাত্তাসমূহ পৰিশোধ নকৰাৰ ক্ষেত্ৰত, শ্ৰী শইকীয়াই অৱগত কৰিছে যে সকলো সদস্যই ২০২১ চনৰ জুন মাহলৈকে তেওঁলোকৰ দৰমহা লাভ কৰিছে আৰু অসম চৰকাৰে শেহতীয়া বাজেটত নিৰ্ধাৰণ কৰা অনুসৰি এতিয়াৰ পৰা তেওঁলোকে নিয়মীয়াকৈ তেওঁলোকৰ দৰমহা লাভ কৰিব। অসম চৰকাৰৰ বিজ্ঞ মহাধিবক্তাৰ ভাষ্য শুনি বিজ্ঞ বিধি উপদেষ্টাই সন্তুষ্টি প্ৰকাশ কৰিছে।

আন্তঃগাঁথনিৰ বিষয়টোৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি শ্ৰী শইকীয়াই জনায় যে ইতিমধ্যে সংশ্লিষ্ট উপায়ুক্তসকলক পৰ্যাপ্ত আন্তঃগাঁথনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে যাতে বিদেশী ন্যায়াধিকৰণসমূহে সঠিকভাৱে কাৰ্যনিৰ্বাহ কৰিব পাৰে আৰু সেয়েহে উপায়ুক্তসকলে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিবৰ বাবে অতিৰিক্ত এমাহ সময় দিয়া হৈছে। অনুৰোধ কৰাৰ ভিত্তিটো বিবেচনা কৰি এই আদালতে অনুৰোধটো যুক্তিসংগত বুলি বিবেচনা কৰে। সেয়েহে, সংশ্লিষ্ট উপায়ুক্তসকলে বিদেশী ন্যায়াধিকৰণসমূহৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে এক সুপৰিকল্পিত প্ৰতিবেদন দাখিল কৰিবৰ বাবে ৰাজ্য চৰকাৰক ৩০ দিনৰ সময় দিয়া হল।

২৯-০৭-২০২১ তাৰিখৰ আদেশত চিনাক্ত কৰা আন এক সমস্যা হৈছে বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলৰ বিৰুদ্ধে লাভ কৰা অভিযোগসমূহৰ মোকাবিলা কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ সম্পৰ্কীয় বিষয়। এনে অভিযোগসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ বিভাগত উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ন কাৰ্যালয়ৰ সৈতে আলোচনা মৰ্মে ব্যৱস্থা হাতত লৈছে, সেই অনুসৰি এনে অভিযোগসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে কিছুমান নিৰ্দেশনা প্ৰস্তুত কৰা হৈছে আৰু এই আদালতত দাখিল কৰা হৈছে। সেই নিৰ্দেশনাবোৰ তলত দিয়া ধৰণৰঃ

(ক)অসমৰ বিদেশী ন্যায়াধিকৰণৰ কোনো সদস্যৰ বিৰুদ্ধে থকা অভিযোগ বিবেচনা কৰা নহ'ব যদিহে ইয়াৰ সৈতে সেই অভিযোগ প্ৰমাণ কৰিবৰ বাবে উপযুক্ত প্ৰমাণীকৰণৰ সমলৰ সৈতে যথাযথ শপতনামা নাথাকে।আবেদনকাৰীক দুসপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰিবৰ বাবে অনুৰোধ কৰিব পৰা যাব অন্যথা এনে অভিযোগ প্ৰত্যাহাৰ কৰা হব।

ওপৰোক্ত চৰ্তসমূহ পূৰণ কৰা যিকোনো অভিযোগ যদি উচ্চ ন্যায়লয়ৰ পঞ্জীয়ন কাযাৰ্লয় বা গৃহ আৰু ৰাজনৈতিক বিভাগে লাভ কৰে তেন্তে উক্ত অভিযোগসমূহৰ সমিতিয়ে আলোচনা কৰিব আৰু পৰীক্ষা কৰিব। আৰু তাৰপিছত সেইসমূহ পঞ্জীয়ন আৰু পৰীক্ষা কৰি পৰ্যবেক্ষণৰ দায়িত্বত থকা ন্যায়াধীশৰ ওচৰত সময়ে সময়ে উত্থাপন কৰা হ’ব।

ঘ)বিদেশী ন্যায়াধিকৰণৰ কোনো সদস্যৰ বিৰুদ্ধে অভিযোগ লাভ কৰাৰ পিছত সমিতিয়ে সেইবোৰৰ সত্যাসত্য নিৰূপণ কৰি নিৰ্দিষ্ট জিলা আৰু সত্ৰ ন্যায়াধীশৰ পৰা প্ৰতিবেদন বিচাৰিব আৰু তেওঁ অভিযোগ দাখিল কৰা নিৰ্দিষ্ট বিষয়াজনৰ অভিযোগ সম্পৰ্কে বিশদভাৱে তদন্ত কৰিব আৰু সেই অনুসৰি এমাহৰ ভিতৰত সমিতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব।

ঙ) এনে তদন্ত প্ৰতিবেদন লাভ কৰাৰ পিছত, সমিতিয়ে সেইবোৰ পৰীক্ষা কৰিব আৰু সেইবোৰৰ গুৰুত্ব অনুসৰি প্ৰয়োজনীয় নিৰ্দেশৰ বাবে পৰ্যবেক্ষক ন্যায়াধীশৰ ওচৰত উত্থাপন কৰিব।

এই নিৰ্দেশাৱলীসমূহ সকলোৱে যুক্তিসঙ্গত বুলি বিবেচনা কৰিছে আৰু সকলো অংশীদাৰে ইয়াত সন্মতি প্ৰদান কৰিছে। ওপৰোক্ত সন্দৰ্ভত এই নিৰ্দেশাৱলীসমূহ গ্ৰহণ কৰা হল আৰু সেইমৰ্মে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ’ব।

অভিযোগসমূহৰ সন্দৰ্ভত, এক তিনিজনীয়া সমিতিয়ে উক্ত অভিযোগ বিচাৰ কৰিব। সমিতিখনত [1] অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব [খ] অসম চৰকাৰৰ ন্যায়িক বিভাগৰ বিধি নিৰ্দেশক তথা সচিব আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ক[ন্যায়িক] সদস্য হিচাপে থাকিব। নিৰ্দিষ্ট সময়ত পদ অনুসৰি, জ্যেষ্ঠতমগৰাকীয়ে উক্ত তিনিজনীয়া সমিতিৰ অধ্যক্ষৰূপে থাকিব। বিদেশী ন্যায়াধিকৰণৰ যিকোনো সদস্যৰ বিৰুদ্ধে অভিযোগ পোৱাৰ লগে লগে উক্ত অভিযোগ উক্ত তিনিজনীয়া সমিতিৰ ওচৰত দাখিল কৰিব লাগিব। সমিতিয়ে উক্ত অভিযোগসমূহৰ বিচাৰ কৰিব আৰু প্ৰয়োজনীয় অনুসন্ধানৰ পিছত তেওঁলোকে উক্ত অভিযোগসমূহ আইনৰ নীতি আৰু স্বাভাৱিক ন্যায়প্ৰক্ৰিয়াৰ লগতে তলত দিয়া নিৰ্দেশাৱলী অনুসৰি নিষ্পত্তি কৰিব পাৰিব।

অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক [বি] বিভাগে বিদেশী ন্যায়াধিকৰণৰ সদস্যৰ বিৰুদ্ধে লাভ কৰা অভিযোগসমূহৰ নিষ্পত্তিৰ বাবে তিনিজনীয়া সমিতি গঠন কৰা আৰু নিৰ্দেশাৱলী আৰু প্ৰয়োজনীয় প্ৰক্ৰিয়াসমূহ প্ৰস্তুত কৰিবৰ বাবে যাৱতীয় জাননী জাৰি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

পঞ্জীয়ন কাৰ্যালয়ে এই বিষয়টো পুনৰ ৩০-০৯-২০২১ তাৰিখে উত্থাপন কৰিব।

ন্যায়াধীশ

অনুবাদঃ দিতিমণি গগৈ

বিশেষ বিষয়া